**ইউৰাজ ৰায়**

**বনাম**

**চন্দৰ বাহাদুৰ কাৰ্কি**

১৫ ডিচেম্বৰ, ২০০৬

[ৱাই.কে.চভৰৱাল,মুখ্য ন্যায়াধীশ,চি.কে. থক্কৰ আৰু আৰ.ভি. ৰবীন্দ্রন,ন্যায়াধীশ]

নিৰ্বাচনী আইনঃ

জনপ্রতিনিধিত্ব আইন,১৯৫১-ধাৰা ৮১-ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন- নিৰ্বাচনী আবেদন দাখিলৰ বাবে সময়সীমা -ৰায়দানঃ সময়সীমা গণনাৰ বাবে প্রাসংগিক তাৰিখ হৈছে নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখটো আৰু সাধাৰণ নিৰ্বাচনত অন্তিমগৰাকী প্ৰাৰ্থী নিৰ্বাচিত বুলি ঘোষণা কৰা তাৰিখটো নহয়।

ভাৰতৰ নিৰ্বাচন আয়োগে ২০০৪ চনৰ ১৬ মাৰ্চত ছিকিম ৰাজ্যৰ বিধানসভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে এক জাননী জাৰি কৰিছিল। মুঠ সমষ্টি আছিল ৩২টা। আপিলকাৰীসকলে ২৩/৪/২০০৪ তাৰিখে মনোনয়ন পত্র দাখিল কৰিছিল। এইবিলাক ত্রুটিপূৰ্ণ হিচাপে বিবেচিত হোৱাৰ পৰিপ্রেক্ষিতত নাকচ কৰা হৈছিল। ফলস্বৰূপে প্ৰাৰ্থীত্ব প্রত্যাহাৰৰ অন্তিম তাৰিখ ২৬/৪/২০০৪-ত ওপৰৰ তিনিটা সমষ্টিত মাত্র এজন প্ৰাৰ্থীয়েহে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল। সেয়েহে নিৰ্বাচন প্ৰাধিকাৰীয়ে প্রতিবাদীপক্ষ নং ১ক (সামগ্রিকভাৱে) বিনাপ্রতিদ্বন্দ্বিতাৰে নিৰ্বাচিত বুলি ঘোষণা কৰে। অন্যান্য সমষ্টিৰ

ক্ষেত্ৰত অৱশ্যে ১০/৫/২০০৪ তাৰিখে ভোটদান অনুষ্ঠিত হৈছিল আৰু ভোট গণনাৰ পিছত ১৭/৫/২০০৪ তাৰিখে ফলাফল ঘোষণা কৰা হৈছিল।

আপিলকাৰীসকলে ২৫/৬/২০০৪ তাৰিখে উচ্চ ন্যায়ালয়ত নিৰ্বাচনী আবেদন দাখিল কৰিছিল। নিৰ্বাচিত প্ৰাৰ্থীসকলে সময়সীমাৰ ভিত্তিত আবেদনৰ গ্ৰহণযোগ্যতাৰ বিষয়ে আপত্তি দৰ্শাইছিল। দাবী কৰা হৈছিল যে জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ ধাৰা ৮১ৰ ব্যৱস্থা অনুসৰি নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত এজন সফল প্ৰাৰ্থীৰ নিৰ্বাচনৰ প্ৰত্যাহ্বান জনাই নিৰ্বাচনী আবেদন দাখিল কৰিব পাৰি ; প্ৰত্যাহ্বান জনোৱা প্ৰাৰ্থীসকলক ২৬/৪/২০০৪ তাৰিখে নিৰ্বাচিত (বিনা প্ৰতিদ্বন্দ্বিতাৰে) ঘোষণা কৰা হৈছিল,সেয়েহে তেওঁলোকৰ ক্ষেত্ৰত সময়সীমা-ভিত্তিক প্ৰতিবন্ধকতা প্ৰযোজ্য। উচ্চ ন্যায়ালয়ে আপত্তিটো সমৰ্থন কৰি নিৰ্বাচনী আবেদনখন নাকচ কৰি কয় যে এইক্ষেত্ৰত সময়সীমা-ভিত্তিক প্ৰতিবন্ধকতা প্ৰযোজ্য। সেয়েহে এই আপিলৰ পোষকতা কৰা হয়।

আপিলসমূহ খাৰিজ কৰি ন্যায়ালয়ে এনেদৰে ৰায়দান কৰেঃ

(১.১) জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ ধাৰা ৮১-ত নিৰ্বাচনী আবেদন দাখিলৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছে। অৱশ্যে, ই দুটা ভাগত বিভক্ত। প্ৰথম অংশত উল্লেখ কৰা হৈছে যে যিকোনো নিৰ্বাচনক লৈ প্ৰত্যাহ্বান জনোৱা নিৰ্বাচনী আবেদন এখন নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত এজন প্ৰাৰ্থী বা নিৰ্বাচকৰ দ্বাৰা দাখিল কৰিব পাৰি। ধাৰাটোৰ দ্বিতীয় অংশত সেই গোচৰবোৰ সামৰি লোৱা হৈছে য'ত নিৰ্বাচনত একাধিক নিৰ্বাচিত প্ৰাৰ্থী থাকে আৰু তেওঁলোকৰ নিৰ্বাচনৰ তাৰিখ বেলেগ বেলেগ হয়। এনে ক্ষেত্ৰত, দুটা তাৰিখৰ ভিতৰত পিছৰটো তাৰিখ নিৰ্বাচনী আবেদন দাখিল কৰাৰ উদ্দেশ্যে সময়সীমাৰ আৰম্ভণি বিন্দু হ'ব। [১১৯২-চি-ডি]

(১.২) ৮১ নং ধাৰাৰ দ্বিতীয় অংশত বিধানসভা বা লোকসভাৰ নিৰ্বাচনৰ কথা কোৱা হোৱা নাই, বৰঞ্চ ৰাজ্যিক বিধান পৰিষদ বা ৰাজ্যসভাৰ নিৰ্বাচনৰ কথা কোৱা হৈছে। সেই অংশটোৱে নিৰ্বাচনত একাধিক নিৰ্বাচিত প্ৰাৰ্থীৰ কথা কয় যিটো কেৱল ৰাজ্যিক বিধান পৰিষদ বা ৰাজ্যসভাৰ নিৰ্বাচনত হয় য'ত একে নিৰ্বাচক মণ্ডলীৰ দ্বাৰা এটা নিৰ্বাচনত একাধিক প্ৰাৰ্থী নিৰ্বাচিত হ'ব পাৰে। সেয়েহে, উচ্চ ন্যায়ালয়ে সঠিকভাৱে ৰায়দান কৰিছিল যে সময়সীমা গণনাৰ বাবে প্ৰাসংগিক তাৰিখটো আছিল নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখটো আৰু এই তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত নিৰ্বাচনী আবেদন দাখিল কৰিব লাগিব। [১১৯২-ই-এফ]

ভি. ভি. গিৰি বনাম ডি. সুৰি ডোৰা আৰু অন্যান্য, [১৯৬০]১ এছ চি আৰ ৪২৫ আৰু পি.আৰ. ফ্ৰান্সিছ বনাম এ. ভি. আৰিয়ান, এ আই আৰ (১৯৬৮) কেৰালা ২৫২, ৰ প্ৰসংগ উল্লেখ কৰিব পাৰি ।

(২.১) এখন নিৰ্বাচনী আবেদন দাখিল কৰাৰ সময়সীমা প্ৰত্যাহ্বান জনোৱা নিৰ্বাচিত প্ৰাৰ্থীগৰাকীক নিৰ্বাচিত বুলি ঘোষণা কৰা তাৰিখৰ সন্দৰ্ভত বিবেচনা কৰা উচিত নহয় বৰং সাধাৰণ নিৰ্বাচনত অন্তিমগৰাকী প্ৰাৰ্থী নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা তাৰিখৰ সন্দৰ্ভতহে বিবেচনা কৰা উচিত বুলি কৰা উপস্থাপনৰ বাহালে আইনৰ ব্যৱস্থাটোক কেৱল জটিল আৰু প্ৰতিকূলেই নকৰিব (বিশেষকৈ ১৯৫৬ আৰু ১৯৬১ চনত প্ৰৱৰ্তন কৰা সংশোধনী আঁচনিৰ বিৰুদ্ধে)বৰং সময়সীমাৰ প্ৰাৰম্ভণ বিন্দুটো অনিশ্চিত, অনিৰ্দিষ্ট আৰু তাৰতম্যযুক্ত কৰিব। এনে ধাৰণাৰ বাবে এখন ৰাজ্যৰ বিধানসভাৰ সকলো নিৰ্বাচিত প্ৰাৰ্থীৰ সম্পূৰ্ণ বিৱৰণৰ প্ৰয়োজন হ'ব। তদুপৰি, প্ৰত্যাহ্বানটো লোকসভাৰ সদস্য নিৰ্বাচনৰ ক্ষেত্ৰত হ'লে সমগ্ৰ দেশৰ বিভিন্ন সমষ্টিৰ সম্পূৰ্ণ বিৱৰণ নিৰ্বাচন ন্যায়াধিকৰণৰ আগত উপস্থাপন কৰিব লাগিব। আবেদনকাৰীয়ে দাখিল কৰা নিৰ্বাচনী আবেদনখন আইনখনৰ ধাৰা ৮১-ত উল্লেখ কৰা নিৰ্দিষ্ট সময়ৰ ভিতৰত আছে

নে নাই সেয়া নিশ্চিত কৰাৰ লক্ষ্যৰে ন্যায়াধিকৰণে এনে বিৱৰণৰ তদন্ত কৰিবলৈ বাধ্য। আকৌ, সময়সীমা বিষয়ক বিবাদ বা প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰত, নিৰ্বাচন ন্যায়াধিকৰণে সকলো সমষ্টিৰ তথ্য বিচাৰি পৰীক্ষা কৰিব লাগিব।

বাধ্য নকৰালৈকে, এখন ন্যায়ালয়ে এনে এটা ব্যৱস্থাক এনেদৰে ব্যাখ্যা নকৰে যি বিধায়িনী অভিপ্ৰায় ব্যৰ্থ কৰিব আৰু ব্যৱস্থাটোক সম্পাদন-অসাধ্য আৰু অব্যৱহাৰিক কৰি তুলিব। [১১৯৫-এইছ; ১১৯৬ এ-ডি]

(২.২) যেতিয়া এজন পৰাজিত প্ৰাৰ্থী বা ভোটদাতাৰ এজন নিৰ্দিষ্ট প্ৰাৰ্থীক নিৰ্বাচনত সফল বুলি ঘোষণা কৰা কাৰ্যৰ বিৰুদ্ধে অভিযোগ থাকে, তেতিয়া এনে ঘোষণা কৰাৰ লগে লগে তেওঁৰ বিবাদ-হেতু উদ্ভৱ হয়। সেয়েহে, তেওঁ সেই কাৰ্যক প্ৰত্যাহ্বান জনাব পাৰে। অন্যান্য সমষ্টিৰ ফলাফল ঘোষণাৰ সৈতে বা সেইবিলাক সমষ্টিৰ নিৰ্বাচিত প্ৰাৰ্থীৰ ফলাফল ঘোষণাৰ সৈতে তেওঁৰ বিবাদ-হেতু সংযোজিত কৰিবলৈ অনুমতি দিব পৰা নাযায় ।[১১৯৬-ই]

শ্ৰী চন্দ্ৰকান্ত শুক্লা বনাম মহাৰাজা মাৰ্তাণ্ড সিং, [১৯৭৩]৩ এছ চি চি ১৯৪,ৰ প্ৰসংগ উল্লেখ কৰিব পাৰি ।

দেৱানী আপিল ক্ষেত্ৰাধিকাৰ : দেৱানী আপিল নং. ৮২৫০/২০০৪ ।

ই.পি.নং ৩/২০০৪ ৰ লগতে দেৱানী আপিল নং. ৮২৫৩/২০০৪ আৰু ৮২৫৫/২০০৪ ত গেংটকস্থিত ছিকিম উচ্চ ন্যায়ালয়ৰ ১৮/১১/২০০৪ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা ।

আপিলকাৰীৰ হৈ আৰ. এন. মিট্টল, ভি.এ. মোহতা, পুনীত মিট্টল , পৱন মিট্টল , সন্দীপ গুপ্তা আৰু অৰবিন্দ কুমাৰ গুপ্তা।

প্ৰতিবাদীপক্ষৰ হৈ এ. মাৰিয়াৰপুথম, অৰুণা মাথুৰ আৰু মিনি নায়াৰ (মেচাৰ্ছ আৰ্পুথম, অৰুণা এণ্ড কোম্পানীৰ বাবে) ।

ন্যায়ালয়ৰ ৰায়দান কৰে ন্যায়াধীশ চি.কে থাকৰ-এ । আপিলসমূহ অনুমোদন কৰা হয়।

উপৰোক্ত তিনিওখন আপিলে জনপ্ৰতিনিধিত্ব আইন, ১৯৫১-ৰ (পৰৱৰ্তী পৰ্যায়ত "আইনখন" বুলি উল্লেখ কৰা হৈছে) ধাৰা ৮১-ৰ ব্যাখ্যা সন্দৰ্ভত এক আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ বিধিৱদ্ধ প্ৰশ্ন উথ্থাপন কৰিছে।

এই আটাইকেইখন আপিলত তথ্যবোৰ কম-বেছি পৰিমাণে একে। ভাৰতৰ নিৰ্বাচন আয়োগে ২০০৪ চনৰ ১৬ মাৰ্চত ছিকিম ৰাজ্যত বিধানসভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে এক জাননী জাৰি কৰিছিল। মুঠ নিৰ্বাচনী সমষ্টি আছিল ৩২টা। নিৰ্বাচনৰ বিভিন্ন পৰ্যায় উল্লেখ কৰা এখন কাৰ্যসূচী প্ৰকাশ কৰা হৈছিল। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম তাৰিখ আছিল ২৩ এপ্ৰিল, ২০০৪। মনোনয়ন পত্ৰ পৰীক্ষাৰ বাবে ২০০৪ চনৰ ২৪ এপ্ৰিল নিৰ্ধাৰণ কৰা হৈছিল, ২০০৪ চনৰ ২৬ এপ্ৰিল আছিল প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ অন্তিম তাৰিখ, ২০০৪ চনৰ ১০ মে' আছিল নিৰ্বাচনৰ তাৰিখ (প্ৰয়োজন সাপেক্ষে) আৰু ভোট গণনা তথা ফলাফল ঘোষণাৰ তাৰিখ নিৰ্ধাৰণ কৰা হৈছিল ২০০৪ চনৰ ১৭ মে'ত। আপিলকাৰীসকলে ২০০৪ চনৰ ২৩ এপ্ৰিলত ক্ৰমে ১২-ৰাক বিধানসভা সমষ্টি, ১৪-মেলি বিধানসভা সমষ্টি আৰু ১৩-দামথাং বিধানসভা সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিছিল। যেতিয়া মনোনয়ন পত্ৰসমূহ পৰৱৰ্তী তাৰিখত অৰ্থাৎ ২০০৪ চনৰ ২৪ এপ্ৰিলত পৰীক্ষা কৰা হৈছিল, তেতিয়া এইকেইখন ত্ৰুটিপূৰ্ণ হিচাপে বিবেচিত হৈছিল আৰু সেয়েহে তেওঁলোকৰ এই আটাইকেইখন মনোনয়ন পত্ৰ নাকচ কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ অন্তিম তাৰিখটোত অৰ্থাৎ ২০০৪ চনৰ ২৬ এপ্ৰিলৰ দিনাখন ওপৰৰ তিনিওটা সমষ্টিত মাত্ৰ এজন প্ৰাৰ্থীয়েহে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল। সেয়েহে নিৰ্বাচন প্ৰাধিকাৰীয়ে প্ৰতিবাদীপক্ষ নং ১ ক সামগ্ৰিকভাৱে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত বুলি ঘোষণা কৰে। অন্যান্য সমষ্টিৰ ক্ষেত্ৰত

অৱশ্যে ১০/৫/২০০৪ তাৰিখে ভোটদান অনুষ্ঠিত হৈছিল আৰু ভোট গণনাৰ পিছত ১৭/৫/২০০৪ তাৰিখে ফলাফল ঘোষণা কৰা হৈছিল।

তিনিওগৰাকী আপিলকাৰীয়ে ২৫/৬/২০০৪ তাৰিখে ছিকিম উচ্চ ন্যায়ালয়ত (নিৰ্বাচন ন্যায়াধিকৰণ) নিৰ্বাচনী আবেদন দাখিল কৰিছিল। প্ৰতিবাদীপক্ষ তথা নিৰ্বাচিত প্ৰাৰ্থীসকললৈ জাননী জাৰি কৰা হৈছিল আৰু তেওঁলোক হাজিৰ হৈছিল । নিৰ্বাচিত প্ৰাৰ্থীসকলে সময়সীমাৰ ভিত্তিত আবেদনৰ গ্ৰহণযোগ্যতাৰ বিষয়ে আপত্তি দৰ্শাইছিল। এইটো দাবী কৰা হৈছিল যে জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ ধাৰা ৮১ৰ ব্যৱস্থা অনুসৰি নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত এজন সফল প্ৰাৰ্থীৰ নিৰ্বাচনৰ প্ৰত্যাহ্বান জনাই নিৰ্বাচনী আবেদন দাখিল কৰিব পাৰি । যিহেতু নিৰ্বাচিত প্ৰাৰ্থীসকলক ২৬/৪/২০০৪ তাৰিখে নিৰ্বাচিত (বিনা প্ৰতিদ্বন্দ্বিতাৰে) বুলি ঘোষণা কৰা হৈছিল, সেই তাৰিখ অৰ্থাৎ ২৬/৪/২০০৪ৰ পৰা ৪৫ দিনৰ ভিতৰত নিৰ্বাচনী আবেদন দাখিল কৰিব পৰা গ'লহেঁতেন। স্বীকাৰোক্তি অনুসৰি আবেদনসমূহ ২৫/৬/২০০৪ তাৰিখে দাখিল কৰা হৈছে ,সেয়েহে তেওঁলোকৰ ক্ষেত্ৰত সময়সীমা-ভিত্তিক প্ৰতিবন্ধকতা প্ৰযোজ্য। আনহাতে, নিৰ্বাচনী-আবেদনকাৰীসকলৰ যুক্তি এয়ে আছিল যে নিৰ্বাচনৰ তাৰিখ আছিল ২০০৪ চনৰ ১০ মে' আৰু আইনখনৰ ৭৩ নং ধাৰাৰ অধীনত নিৰ্বাচনৰ ফলাফল প্ৰকাশৰ তাৰিখ আছিল ২০০৪ চনৰ ১৭ মে'। সকলো গুৰুত্বপূৰ্ণ উদ্দেশ্যৰ বাবে, সেয়েহে, প্ৰাসংগিক তাৰিখ আছিল ২০০৪ চনৰ ১৭ মে' আৰু ২০০৪ চনৰ ২৬ এপ্ৰিল নহয় আৰু সেই তথ্যৰ পৰিপ্ৰেক্ষিতত, নিৰ্বাচনী আবেদনসমূহ সময়সীমাৰ ভিতৰত দাখিল কৰা হৈছিল।

পক্ষসমূহৰ মাজৰ বিতৰ্ক আৰু সময়সীমাভিত্তিক প্ৰতিবন্ধকতাৰ ভিত্তিত আবেদনৰ গ্ৰহণযোগ্যতা সন্দৰ্ভত এক প্ৰাথমিক আপত্তি বিবেচনা কৰি, উচ্চ ন্যায়ালয়ে তলত দিয়া ধৰণে এটা প্ৰাথমিক বিষয় উত্থাপন কৰিছিল-

"আইনখনৰ ৮১ নং ধাৰাই নিৰ্ধাৰণ কৰা অনুসৰি নিৰ্বাচনী আবেদনত সময়সীমা-ভিত্তিক প্ৰতিবন্ধকতা প্ৰযোজ্য হৈছে নেকি?"

তাৰ পিছত উচ্চ ন্যায়ালয়ে দলসমূহৰ  বিদ্বান অধিবক্তাৰ শুনানি গ্ৰহণ কৰিছিল, এই আইনখন আৰু অন্যান্য আইনৰ প্ৰাসংগিক ব্যৱস্থাসমূহ বিবেচনা কৰিছিল, ন্যায়ালয়ৰ সিদ্ধান্তসমূহ উল্লেখ কৰিছিল আৰু ৰায় দিছিল যে  নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনক প্ৰত্যাহ্বান জনোৱাৰ উদ্দেশ্যে সময়সীমা আৰম্ভ কৰাৰ প্ৰাসংগিক তাৰিখ আছিল ২০০৪ চনৰ ২৬ এপ্ৰিল, নিৰ্বাচনী আবেদনৰ আবেদনকাৰীসকলে দাবী কৰা অনুসৰি ২০০৪ চনৰ ১৭ মে' নহয়। সেয়েহে, নিৰ্বাচনী আবেদনসমূহত সময়সীমা-ভিত্তিক প্ৰতিবন্ধকতা প্ৰযোজ্য। সেইমৰ্মে উচ্চ ন্যায়ালয়ে খৰচ প্ৰদানৰ নিৰ্দেশনাৰে  সকলো আবেদন খাৰিজ কৰিছিল।

উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত ক্ষুব্ধ হৈ সকলো আবেদনকাৰীয়ে আইনখনৰ ১১৬ এ ধাৰাৰ অধীনত এই আপিলসমূহ দাখিল কৰে। ২০০৫ চনৰ ৬ জানুৱাৰীত জাননী জাৰি কৰা হৈছিল। আপিলসমূহৰ শুনানিৰ বাবে  নিৰ্দেশনা দিয়া হৈছিল। আমি পক্ষসমূহৰ বিদ্বান অধিবক্তাৰ শুনানি গ্ৰহণ কৰোঁ।

আপিলকাৰীসকলৰ বিদ্বান অধিবক্তাগৰাকীয়ে  এইবুলি উপস্থাপন কৰে যে আপিলকাৰী তথা নিৰ্বাচন-আবেদনকাৰীসকলে দাখিল কৰা নিৰ্বাচনী আবেদনসমূহ সময়সীমা-ভিত্তিক প্ৰতিবন্ধকতাৰে খাৰিজ কৰি উচ্চ ন্যায়ালয়ে এক আইনী ক্ৰুটি  কৰিছে। তেওঁ উপস্থাপন কৰে যে আইনখনৰ প্ৰাসংগিক ব্যৱস্থাসমূহৰ পঠনে স্পষ্ট কৰে  যে এই আইনখনৰ ৮১ নং ধাৰাত বৰ্ধিত সময়সীমাৰ ব্যৱস্থা কৰা হৈছে আৰু আপিলকাৰী-আবেদনকাৰীসকলে দাখিল কৰা আবেদনসমূহ সময়সীমাৰ পৰিসৰৰ ভিতৰত আছিল। এইবুলিও  উপস্থাপন কৰা হৈছিল যে বৰ্তমানৰ গোচৰসমূহ আইনখনৰ ৮১ নং ধাৰাৰ দ্বিতীয় অংশৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছে আৰু উক্ত ধাৰাৰ প্ৰথম অংশৰ দ্বাৰা নহয় আৰু উচ্চ ন্যায়ালয়ে বিভ্ৰান্তিজনকভাৱে ৰায় দিছিল যে নিৰ্বাচিত প্ৰাৰ্থীৰ ঘোষণাৰ তাৰিখ

অৰ্থাৎ ২০০৪ চনৰ ২৬ এপ্ৰিলৰ পৰা সময়সীমাৰ ম্যাদ আৰম্ভ হ'ব। অধিবক্তাগৰাকীয়ে বিকল্পভাৱে যুক্তি দৰ্শাইছিল যে দুটা ব্যাখ্যা সম্ভৱ হোৱাৰ ক্ষেত্ৰত যিটোৱে নিৰ্বাচন ন্যায়াধিকৰণ (উচ্চ ন্যায়ালয়)ক যোগ্যতাৰ ওপৰত গোচৰটো বিবেচনা কৰিবলৈ আৰু সিদ্ধান্ত ল'বলৈ সক্ষম কৰিব তাক সেইটো ব্যাখ্যাতকৈ অগ্ৰাধিকাৰ দিব লাগে যাৰ অন্তৰ্গত নিৰ্বাচনী প্ৰাৰ্থীসকলৰ ওপৰত সময়সীমা-ভিত্তিক প্ৰতিবন্ধকতা প্ৰযোজ্য কৰাৰ পোষকতা কৰা হয়। সেয়েহে, এইবুলি উপস্থাপন কৰা হৈছিল যে এই আপিলকেইখনক অনুমতি প্ৰদানেৰে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশটো খাৰিজ কৰিব লাগে আৰু উচ্চ ন্যায়ালয়লৈ সকলো আবেদন প্ৰেৰণ কৰিব লাগে যাতে সেইবোৰ সময়ৰ ভিতৰত দাখিল কৰা বুলি বিবেচনা কৰিব পৰা যায় আৰু আইন অনুসৰি সিদ্ধান্ত ল’ব পৰা যায়।

আনহাতে, প্ৰতিবাদীপক্ষ তথা নিৰ্বাচিত প্ৰাৰ্থীসকলৰ বিদ্বান অধিবক্তাই উচ্চ ন্যায়ালয়ৰ নিৰ্দেশক সমৰ্থন কৰিছিল। তেওঁ উপস্থাপন কৰিছিল যে উচ্চ ন্যায়ালয়ে আবেদনসমূহ নাকচ কৰাৰ ক্ষেত্ৰত আৰু আইনখনৰ প্ৰাসংগিক ব্যৱস্থাসমূহ আৰু বিশেষকৈ ইয়াৰ ধাৰা ৮১ৰ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে ন্যায়সংগত আছিল। তেওঁৰ মতে, নিৰ্বাচনী আবেদন দাখিল কৰাৰ প্ৰাসংগিক তাৰিখ হ’ব নিৰ্বাচিত প্ৰাৰ্থী ঘোষণাৰ তাৰিখটো আৰু ২০০৪ চনৰ ২৬ এপ্ৰিলত এনে ঘোষণা কৰাৰ পিছত সেই তাৰিখৰ পৰা সময়সীমা আৰম্ভ হৈছিল আৰু পৰাজিত প্ৰাৰ্থীসকলে সেই তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত নিৰ্বাচনী আবেদন দাখিল কৰিব লাগিছিল। স্বীকাৰ কৰা অনুসৰি, ২০০৪ চনৰ ২৫ জুনত আবেদন দাখিল কৰা হৈছিল আৰু সেয়েহে, সেইবোৰৰ ওপৰত সঠিকভাৱে সময়সীমা-ভিত্তিক প্ৰতিবন্ধকতা প্ৰযোজ্য কৰাৰ ৰায় দিয়া হৈছিল। লগতে উপস্থাপন কৰা হৈছিল যে আইনৰ প্ৰাসংগিক ব্যৱস্থা বিবেচনা কৰি তথা ১৯৫৬ আৰু ১৯৬১ চনত আইনখনত কৰা সংশোধনীসমূহ বিবেচনা কৰি উচ্চ ন্যায়ালয়ৰ যুক্তি আৰু ৰায়ক দোষাৰোপ কৰিব নোৱাৰি আৰু আপিলসমূহ খাৰিজ কৰাৰ যোগ্য।

উক্ত আইনখনৰ লগতে অন্যান্য আইনৰ প্ৰাসংগিক ব্যৱস্থাসমূহৰ প্ৰতি পক্ষসমূহৰ বিদ্বান অধিবক্তাই আমাৰ মনোযোগ আকৰ্ষণ কৰিছে। পক্ষসমূহৰ বিদ্বান অধিবক্তাৰ সংশ্লিষ্ট বিতৰ্কৰ সৈতে মোকাবিলা কৰাৰ আগতে আমি আইনখনৰ প্ৰাসংগিক ব্যৱস্থাসমূহ উল্লেখ কৰাটো যথাযথ হ'ব। আইনখনৰ প্ৰস্তাৱনাত ঘোষণা কৰা হৈছে যে "সংসদ আৰু প্ৰতিখন ৰাজ্যৰ বিধানমণ্ডলৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে, সেই সদনসমূহৰ সদস্যপদৰ অৰ্হতা আৰু অযোগ্যতা নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে, এনে নিৰ্বাচনত বা ইয়াৰ সৈতে সম্পৰ্কিত দুৰ্নীতি আৰু অন্যান্য অপৰাধ নিবাৰণ কৰাৰ উদ্দেশ্যে আৰু এনে নিৰ্বাচন বা ইয়াৰ সৈতে সম্পৰ্কিত অনিশ্চয়তা আৰু বিবাদৰ সিদ্ধান্ত লোৱাৰ ব্যৱস্থাপনা কৰাৰ উদ্দেশ্যে আইনখন প্ৰণয়ন কৰা হৈছে। ধাৰা ২ হৈছে এক 'বিধায়িনী অভিধান' আৰু ই বিভিন্ন শব্দৰ সংজ্ঞা দিছে। অৱশ্যে, ই এটা ব্যাখ্যাৰে আৰম্ভ হৈছে আৰু ঘোষণা কৰিছে যে উক্ত ধাৰাটোৰ সংজ্ঞাই প্ৰাধান্য লাভ কৰিব "যদিহে প্ৰসংগটোৱে অন্য ধৰণে দাবী নকৰে"। ধাৰা ২-ৰ উপধাৰা (১)-ৰ দফা (ডি)-এ 'নিৰ্বাচন'ক এনেদৰে সংজ্ঞাবদ্ধ কৰিছে "সংসদৰ যিকোনো সদনত বা ৰাজ্যৰ বিধানমণ্ডলৰ যিকোনো সদনত আসন বা আসনসমূহ পূৰণৰ উদ্দেশ্যে কৰা নিৰ্বাচন"। ধাৰা ২-ৰ উপধাৰা (২)-ত উল্লেখ কৰা হৈছে যে আইনখনৰ উদ্দেশ্যৰ বাবে "সংসদীয় সমষ্টি, বিধানসভাৰ সমষ্টি, পৰিষদৰ সমষ্টি, স্থানীয় কৰ্তৃপক্ষৰ সমষ্টি, স্নাতকৰ সমষ্টি আৰু শিক্ষকৰ সমষ্টিক ভিন্ন শ্ৰেণীৰ সমষ্টি হিচাপে গণ্য কৰা হ'ব।" দ্বিতীয় ভাগত সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলৰ সদস্যপদৰ অৰ্হতা আৰু অযোগ্যতাৰ বিষয়ে আলোচনা কৰা হৈছে। তৃতীয় ভাগত সাধাৰণ নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। ধাৰা ১৫-ত ৰাজ্যিক বিধান সভাৰ সাধাৰণ নিৰ্বাচনৰ অধিসূচনাৰ বিষয়ে উল্লেখ কৰা হৈছে। পঞ্চম ভাগত নিৰ্বাচন পৰিচালনা কৰাৰ সম্পৰ্কে উল্লেখ আছে। 'নিৰ্বাচনৰ সাধাৰণ প্ৰক্ৰিয়া' শীৰ্ষক ইয়াৰ তৃতীয় অধ্যায়টো প্ৰতিদ্বন্দ্বিতা হোৱাৰ

লগতে প্ৰতিদ্বন্দ্বিতা নোহোৱা গোচৰৰ সৈতে সম্পৰ্কিত। প্ৰাসংগিক ৫৩ নং ধাৰাত এইদৰে উল্লেখ কৰা হৈছেঃ

(৫৩) প্ৰতিদ্বন্দ্বিতা আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচনৰ প্ৰক্ৰিয়াঃ

(১) যদি প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ সংখ্যা পূৰণ কৰিবলগীয়া আসনৰ সংখ্যাতকৈ অধিক হয়, তেন্তে নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব।

(২) যদি এনে প্ৰাৰ্থীৰ সংখ্যা পূৰণ কৰিবলগীয়া আসনৰ সংখ্যাৰ সমান হয়, তেন্তে নিৰ্বাচন প্ৰাধিকাৰীয়ে ততালিকে এনে সকলো প্ৰাৰ্থীক সেই আসনবোৰ পূৰণ কৰাৰ উদ্দেশ্যে যথাযথভাৱে নিৰ্বাচিত বুলি ঘোষণা কৰিব।

(৩) যদি এনে প্ৰাৰ্থীৰ সংখ্যা পূৰণ কৰিবলগীয়া আসনৰ সংখ্যাতকৈ কম হয়, তেন্তে নিৰ্বাচন প্ৰাধিকাৰীয়ে ততালিকে এনে সকলো প্ৰাৰ্থীক নিৰ্বাচিত বুলি ঘোষণা কৰিব আৰু নিৰ্বাচন আয়োগে চৰকাৰী গেজেটত অধিসূচনাৰ জৰিয়তে নিৰ্বাচন সমষ্টি বা নিৰ্বাচিত সদস্য বা ৰাজ্যিক বিধানসভাৰ সদস্য বা সংশ্লিষ্ট নিৰ্বাচক মণ্ডলীৰ সদস্যক (যিটোয়েই প্ৰযোজ্য হয়) অৱশিষ্ট আসন বা আসনসমূহ পূৰণ কৰাৰ উদ্দেশ্যে এজন ব্যক্তি বা ব্যক্তিসকলক নিৰ্বাচিত কৰিবলৈ আহ্বান জনাব।

অৱশ্যে, এই উপধাৰাৰ অধীনত যদিহে ইতিমধ্যে আহ্বান জনোৱা নিৰ্বাচনী সমষ্টিয়ে বা নিৰ্বাচিত সদস্যই বা ৰাজ্যিক বিধানসভাৰ সদস্যই বা নিৰ্বাচক মণ্ডলীৰ সদস্যসকলে, খালী পদ/পদসমূহ পূৰণ কৰাৰ উদ্দেশ্যে এজন বা প্ৰয়োজনীয় সংখ্যক ব্যক্তিক নিৰ্বাচন কৰাত ব্যৰ্থ হয়, তেন্তে নিৰ্বাচন আয়োগে নিৰ্বাচনী সমষ্টি বা এনে সদস্যসকলক এজন ব্যক্তি বা ব্যক্তিসকলক নিৰ্বাচিত কৰাৰ উদ্দেশ্যে পুনৰ আহ্বান কৰিবলৈ বাধ্য নহ'ব যেতিয়ালৈকে এই আয়োগ

সন্তুষ্ট নহয় যে যদি পুনৰ আহ্বান কৰা হয়, তেন্তে এনে সদস্যসকলৰ নিৰ্বাচনী সমষ্টিৰ ফালৰ পৰা এনে কোনো বিফলতা নাথাকিব।

সংৰক্ষিত আসন অন্তৰ্ভুক্ত থকা সমষ্টিসমূহৰ নিৰ্বাচন পদ্ধতি আৰু এনে নিৰ্বাচনৰ ভোটদান প্ৰক্ৰিয়া উল্লেখ থকা ৫৪ নং আৰু ৬৩নং ধাৰা পৰৱৰ্তী সময়ত বাতিল কৰা হৈছিল। আমি উপযুক্ত পৰ্যায়ত সেই দিশটোৰ সৈতে মোকাবিলা কৰিম।

উক্ত ভাগটোৰ চতুৰ্থ অধ্যায়টোত ভোটদান সম্পৰ্কে উল্লেখ আছে। পঞ্চম অধ্যায়ত 'ভোট গণনা' সম্পৰ্কে আলোচনা কৰা হৈছে। ধাৰা ৬৪-ত উল্লেখ কৰা হৈছে যে প্ৰতিটো নিৰ্বাচনৰ ভোটদানত ভোটসমূহ নিৰ্বাচন প্ৰাধিকাৰীৰ তত্ত্বাৱধান আৰু নিৰ্দেশত গণনা কৰা হ'ব আৰু প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী, তেওঁৰ নিৰ্বাচনী প্ৰতিনিধি আৰু তেওঁৰ গণনা প্ৰতিনিধিসকলৰ ভোট গণনাৰ সময়ত উপস্থিত থকাৰ অধিকাৰ থাকিব। ধাৰা ৬৬-ত উল্লেখ আছে যে যেতিয়া ভোট গণনা সম্পূৰ্ণ হয়, তেতিয়া নিৰ্বাচন প্ৰাধিকাৰীয়ে, নিৰ্বাচন আয়োগৰ কোনো বিপৰীত নিৰ্দেশনাৰ অনুপস্থিতিত, আইনখনৰ মতে বা আইনখনৰ অধীনত প্ৰস্তুত কৰা নিয়ম অনুসৰি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিব। ধাৰা ৬৭ অনুসৰি নিৰ্বাচন প্ৰাধিকাৰীয়ে ফলাফলৰ বিষয়ে যথাযোগ্য কৰ্তৃপক্ষ আৰু নিৰ্বাচন আয়োগক অৱগত কৰিব লাগিব আৰু যথাযোগ্য কৰ্তৃপক্ষই নিৰ্বাচিত প্ৰাৰ্থীৰ নাম থকা ঘোষণাটো চৰকাৰী গেজেটত প্ৰকাশ কৰিব লাগিব।

৬৭-এ নং ধাৰাও গুৰুত্বপূৰ্ণ আৰু তলত উল্লেখ কৰা ধৰণৰঃ

(৬৭-এ) প্ৰাৰ্থী নিৰ্বাচনৰ তাৰিখ -এই আইনৰ উদ্দেশ্যত ধাৰা ৫৩ বা ধাৰা ৬৬ৰ ব্যৱস্থাৰ অধীনত নিৰ্বাচন প্ৰাধিকাৰীয়ে যিটো তাৰিখত, সংসদৰ সদন বা ৰাজ্যৰ বিধানমণ্ডললৈ প্ৰাৰ্থী নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিব সেই তাৰিখেই হ'ব উক্ত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখ।

আইনখনৰ ৭৩ নং অনুচ্ছেদে নিৰ্বাচন আয়োগক সকলো সমষ্টিত নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পিছত অধিসূচনা জাৰি কৰিবলৈ নিৰ্দেশনা দিছে যাৰ ভিত্তিত সদন যথাযথভাৱে গঠন হোৱা বুলি গণ্য কৰা হয়। ভাগ-VIত "নিৰ্বাচন সম্পৰ্কীয় বিবাদ" ৰ বিষয়ে ব্যক্ত কৰা হৈছে। ধাৰা ৮০-এ নিৰ্বাচনী আবেদনৰ বাহিৰে অন্য উপায়েৰে নিৰ্বাচন সন্দৰ্ভত প্ৰত্যাহ্বান জনোৱাত নিষেধাজ্ঞা আৰোপ কৰিছে। ৮০-এ নং ধাৰাৰ অধীনত উচ্চ ন্যায়ালয়ে নিৰ্বাচনী আবেদনসমূহৰ বিচাৰ কৰিব পাৰে। ৮১ নং ধাৰাই নিৰ্বাচনী আবেদন দাখিলৰ ব্যৱস্থা কৰিছে আৰু  সময়সীমাভিত্তিক প্ৰতিবন্ধকতা নিৰ্ধাৰণ কৰিছে। ইয়াৰ উপধাৰা (১) হৈছে এক গুৰুত্বপূৰ্ণ উপধাৰা যাক এই ন্যায়ালয়ত ব্যাখ্যা কৰিবলৈ আবেদন জনোৱা হৈছে আৰু ইয়াক বিস্তাৰিতভাৱে বিশ্লেষণ কৰিব পাৰি।

(৮১) আবেদন দাখিল -(১) যিকোনো নিৰ্বাচনী প্ৰাৰ্থী বা যিকোনো ভোটাদাতাই ধাৰা ১০০ৰ উপধাৰা (১) আৰু ধাৰা ১০১-ত নিৰ্ধাৰণ কৰা অনুসৰি এক বা ততোধিক হেতুৰ ভিত্তিত উচ্চ ন্যায়ালয়ত যিকোনো নিৰ্বাচনক প্ৰত্যাহ্বান জনাই এখন নিৰ্বাচনী আবেদন ৪৫ দিনৰ ভিতৰত দাখিল কৰিব পাৰে। কিন্তু এনে দাখিল নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখৰ আগতে নহয় বা যদি নিৰ্বাচনত একাধিক নিৰ্বাচিত প্ৰাৰ্থী থাকে আৰু তেওঁলোকৰ নিৰ্বাচনৰ তাৰিখ বেলেগ বেলেগ হয়, তেন্তে সেই দুটা তাৰিখৰ পিছৰ তাৰিখটোহে এনে ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

আপিলকাৰীসকলৰ বিদ্বান অধিবক্তাই স্বীকাৰ কৰে যে আইনখনৰ ৮১ নং ধাৰাই সময়সীমা নিৰ্ধাৰণ কৰিছে আৰু নিৰ্দেশনা প্ৰদান কৰিছে  যে কোনো প্ৰাৰ্থী বা ভোটদাতাই কোনো নিৰ্বাচনৰ প্ৰত্যাহ্বান জনাই এখন নিৰ্বাচনী আবেদন নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত দাখিল কৰিব লাগিব। অধিবক্তাই এইবুলিও স্বীকাৰ কৰে যে তিনিওটা গোচৰতে ২০০৪ চনৰ ২৬ এপ্ৰিলত নিৰ্বাচিত প্ৰাৰ্থীসকল নিৰ্বাচিত (বিনা প্ৰতিদ্বন্দ্বিতাৰে) বুলি ঘোষণা কৰা

হৈছিল আৰু উক্ত তাৰিখটো বিবেচনা কৰিলে ২০০৪ চনৰ ২৫ জুন তাৰিখে দাখিল কৰা নিৰ্বাচনী আবেদনসমূহত সময়সীমাভিত্তিক প্ৰতিবন্ধকতা প্ৰযোজ্য। কিন্তু বিদ্বান অধিবক্তাই এইবুলি যুক্তি দিয়ে যে নিৰ্বাচনত নিৰ্বাচিত প্ৰাৰ্থী একাধিক হ'লে আৰু তেওঁলোকৰ নিৰ্বাচনৰ তাৰিখ বেলেগ বেলেগ হ'লে ৮১ নং ধাৰাই এজন প্ৰাৰ্থী বা নিৰ্বাচকক এজন প্ৰাৰ্থী নিৰ্বাচিত বুলি ঘোষণা কৰাৰ অন্তিম তাৰিখটোৰ পৰা চল্লিশ দিনৰ ভিতৰত এনে আবেদন দাখিল কৰাৰ বিকল্পও দিয়ে। অধিবক্তাগৰাকীৰ মতে, স্বীকাৰোক্তি অনুসৰি নিৰ্বাচন আয়োগে ছিকিম ৰাজ্যৰ বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ বাবে জাৰি কৰা অধিসূচনাত ছিকিম ৰাজ্যৰ বিধানসভাৰ ৩২টা সমষ্টি আছিল বুলি আৰু সেই আটাইকেইটা সমষ্টিতে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি স্পষ্টভাৱে উল্লেখ কৰিছিল। অধিবক্তাগৰাকীয়ে উল্লেখ কৰিছিল যে প্ৰাৰ্থীসকলক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত বুলি ঘোষণা কৰা তিনিটা সমষ্টিৰ বাহিৰে অৱশিষ্ট সমষ্টিসমূহত নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু ২০০৪ চনৰ ১০ মে'ত ভোটদান সম্পূৰ্ণ হৈছিল। ২০০৪ চনৰ ১৭ মে'ত সেই সমষ্টিসমূহত ফলাফল ঘোষণা কৰা হৈছিল।সেয়েহে, ধাৰা ৮১-ৰ দ্বিতীয় অংশৰ অধীনত নিৰ্বাচনী আবেদনসমূহ ২০০৪ চনৰ ১৭ মে'ৰ পৰা ৪৫ দিনৰ ভিতৰত দাখিল কৰিব পাৰি। সেই তাৰিখটো বিবেচনাৰে নিৰ্বাচনী আবেদনসমূহ সময়সীমাৰ ভিতৰত আছিল।

এইটোও উপস্থাপন কৰা হৈছিল যে আইনখনৰ ৭৩ নং ধাৰাৰ অধীনত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ তাৰিখৰ পূৰ্বে এই সময়সীমা প্ৰযোজ্য হ'ব নোৱাৰে কাৰণ সংবিধানৰ ৩২৯ (বি) অনুচ্ছেদত অন্তৰ্ভুক্ত বাধা আকৰ্ষণ কৰিবলৈ ৭৩ নং ধাৰাৰ প্ৰয়োজনসাপেক্ষে ঘোষণা নকৰালৈকে নিৰ্বাচন প্ৰক্ৰিয়াটো সমাপ্ত হোৱা বুলি ক'ব নোৱাৰি।

আমি ইতিমধ্যে আইনখনৰ ৮১ নং ধাৰাটোৰ পুনৰাবৃত্তি কৰিছো। ই নিৰ্বাচনী আবেদন দাখিল কৰাৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰিছে। অৱশ্যে ই দুটা ভাগত বিভক্ত। প্ৰথম অংশত উল্লেখ কৰা হৈছে যে কোনো প্ৰাৰ্থী বা ভোটদাতাই কোনো নিৰ্বাচনৰ প্ৰত্যাহ্বান জনাই এখন নিৰ্বাচনী আবেদন নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত দাখিল কৰিব লাগিব। ধাৰাটোৰ দ্বিতীয় অংশত সেই ক্ষেত্ৰবোৰ সামৰি লোৱা হৈছে য'ত নিৰ্বাচনত একাধিক নিৰ্বাচিত প্ৰাৰ্থী থাকে আৰু তেওঁলোকৰ নিৰ্বাচনৰ তাৰিখ বেলেগ বেলেগ হয়। এনে ক্ষেত্ৰত, দুয়োটা তাৰিখৰ ভিতৰত পিছৰ তাৰিখটো নিৰ্বাচনী আবেদন দাখিল কৰাৰ উদ্দেশ্যে সময়সীমাৰ আৰম্ভণি বিন্দু হ'ব।

নিৰ্বাচিত প্ৰাৰ্থীসকলৰ বিদ্বান অধিবক্তাই উপস্থাপন কৰা আৰু আমাৰ মতেও সঠিক বুলি বিবেচিত হোৱা তথ্যটো এয়ে যে ৮১ নং ধাৰাৰ দ্বিতীয় অংশত বিধানসভা বা লোকসভাৰ নিৰ্বাচনৰ কথা কোৱা হোৱা নাই, বৰঞ্চ ৰাজ্যিক বিধান পৰিষদ বা ৰাজ্যসভাৰ নিৰ্বাচনৰ কথা কোৱা হৈছে। সেই অংশটোৱে নিৰ্বাচনত একাধিক নিৰ্বাচিত প্ৰাৰ্থীৰ কথা কয় যিটো কেৱল ৰাজ্যিক বিধান পৰিষদ বা ৰাজ্যসভাৰ নিৰ্বাচনত হয় য'ত একে নিৰ্বাচক মণ্ডলীৰ দ্বাৰা এটা নিৰ্বাচনত একাধিক প্ৰাৰ্থী নিৰ্বাচিত হ'ব পাৰে।

এই সন্দৰ্ভত প্ৰতিবাদীপক্ষৰ বিদ্বান অধিবক্তাই সংবিধানৰ ৮০ আৰু ১৭১ নং অনুচ্ছেদৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। অনুচ্ছেদ ৮০ ৰাজ্য পৰিষদৰ গঠনৰ সৈতে সম্পৰ্কিত হোৱাৰ বিপৰীতে অনুচ্ছেদ ১৭১ ৰাজ্যিক বিধান পৰিষদৰ সৈতে সম্পৰ্কিত। ১৭১ নং অনুচ্ছেদৰ দফা (৪) ত উল্লেখ আছে যে ৰাজ্যিক বিধান পৰিষদৰ সদস্যসকলক একক হস্তান্তৰযোগ্য ভোটৰ জৰিয়তে আনুপাতিক প্ৰতিনিধিত্বৰ ব্যৱস্থা অনুসৰি নিৰ্বাচিত কৰা হ'ব। ১৯৬১ চনৰ নিৰ্বাচন পৰিচালনা নিয়মাৱলীৰ (ইয়াৰ পিছত 'নিয়মাৱলী' বুলি উল্লেখ কৰা হৈছে) পঞ্চম অধ্যায়তো এনে নিৰ্বাচনত ভোট গণনা পদ্ধতিৰ বিষয়ে আলোচনা

কৰা হৈছে। নিয়ম ৭৬-ৰ পৰা ৮১-ত স্পষ্টভাৱে উল্লেখ আছে যে এজন প্ৰাৰ্থীয়ে ভোটৰ নিৰ্ধাৰিত সংখ্যা লাভ কৰাৰ লগে লগে তেওঁক নিৰ্বাচিত বুলি ঘোষণা কৰা হ'ব আৰু বেলট পেপাৰত উল্লেখ কৰা অনুসৰি ভোটদাতাৰ পছন্দৰ ক্ৰমৰ ভিত্তিত বাকী থকা প্ৰাৰ্থীসকলৰ পক্ষত অতিৰিক্ত ভোট স্থানান্তৰ কৰা হ'ব। এনে প্ৰক্ৰিয়াৰ দ্বাৰা, নিৰ্ণেয় সংখ্যক নিৰ্বাচিত কৰিবলগীয়া প্ৰাৰ্থী এজন এজনকৈ ঘোষণা কৰা হ'ব, সেয়েহে, উদাহৰণস্বৰূপে, যদি এখন ৰাজ্যৰ নিৰ্দিষ্ট বিধানসভাৰ পৰা ৰাজ্য পৰিষদ (ৰাজ্যসভা)ৰ নিৰ্বাচনত পাঁচজন প্ৰাৰ্থী নিৰ্বাচিত হ'ব লাগে, তেন্তে নিৰ্বাচকসকলে প্ৰদান কৰা ভোটৰ অগ্ৰাধিকাৰ গণনা কৰিবলৈ প্ৰয়োজনীয় সময়ৰ বাবে তেওঁলোক নিৰ্বাচিত হোৱাৰ তাৰিখবোৰ বেলেগ বেলেগ হ'ব পাৰে। অৱশ্যে, এখন ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ ক্ষেত্ৰত বা লোকসভাৰ নিৰ্বাচনৰ ক্ষেত্ৰত এনে কোনো পৰিস্থিতিৰ সৃষ্টি নহ'ব।

বিদ্বান অধিবক্তাই আইনখনত ১৯৫১ চনত প্ৰাৰম্ভিক অৱস্থাত বিৰাজ কৰা প্ৰাসংগিক ব্যৱস্থাসমূহৰ কথা উল্লেখ কৰাৰ লগতে জনপ্ৰতিনিধিত্ব (দ্বিতীয় সংশোধনী) আইন,১৯৫৬(১৯৫৬ চনৰ ২৭নং আইন) আৰু জনপ্ৰতিনিধিত্ব (সংশোধনী)আইন,১৯৬১(১৯৬১চনৰ ১৪নং আইন)ৰ পিছত সংশোধিত ব্যৱস্থাসমূহো উল্লেখ কৰে। ১৯৫৬ চনৰ সংশোধনী আইনৰ পূৰ্বে থকা আইনখনৰ ৮১ নং ধাৰাই নিৰ্বাচনী আবেদন দাখিলৰ বাবে পোনপটীয়াকৈ সময়সীমা প্ৰদান কৰা নাছিল। অৱশ্যে, ইয়াত উল্লেখ কৰা হৈছিল যে যিকোনো নিৰ্বাচনক প্ৰত্যাহ্বান জনোৱা এক নিৰ্বাচনী আবেদন 'নিৰ্ধাৰিত ধৰণেৰে আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত দাখিল' কৰিব পৰা যাব। 'নিৰ্ধাৰিত' শব্দটো 'আইনখনৰ অধীনত প্ৰস্তুত কৰা নিয়মৰ দ্বাৰা নিৰ্ধাৰিত' হিচাপে সংজ্ঞাবদ্ধ কৰা হৈছিল। অৱশ্যে, সংসদে সময়সীমা নিৰ্ধাৰণ কৰাটো উপযুক্ত বুলি ভাবিছিল। সেয়েহে, ১৯৫৬ চনৰ সংশোধনী আইনৰ দ্বাৰা 'নিৰ্বাচিত প্ৰাৰ্থী'ৰ নিৰ্বাচনৰ তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত পোনপটীয়াকৈ সময়সীমা প্ৰদানৰ ব্যৱস্থা কৰি ধাৰা ৮১

সংশোধন কৰিছিল। এজন প্ৰাৰ্থীক নিৰ্বাচিত বুলি ঘোষণা কৰাৰ তাৰিখ কি হ'ব লাগে সেই সন্দৰ্ভত কোনো ধৰণৰ সন্দেহ নাথাকিবলৈ আৰু স্থিতি স্পষ্ট কৰিবলৈ সংসদে ৬৭-এ ধাৰাও অন্তৰ্ভুক্ত কৰে যাৰ জৰিয়তে স্পষ্ট কৰি দিয়া হয় যে নিৰ্বাচন প্ৰাধিকাৰীয়ে প্ৰাৰ্থীজনক নিৰ্বাচিত বুলি ঘোষণা কৰা তাৰিখটোৱেই হ'ব সেই প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখ।

এইটোও মনত ৰখা প্ৰয়োজনীয় যে আইনখনৰ ৫৩ নং অনুচ্ছেদত উল্লেখ আছে যে যদি প্ৰাৰ্থীৰ সংখ্যা পূৰণ কৰিবলগীয়া আসনৰ সংখ্যাৰ সমান হয়, তেন্তে নিৰ্বাচন প্ৰাধিকাৰীয়ে ততালিকে এনে প্ৰাৰ্থীসকলক যথাযথভাৱে নিৰ্বাচিত বুলি ঘোষণা কৰিব লাগিব আৰু কেৱল প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰতহে নিৰ্বাচন অনুষ্ঠিত হ'ব। ধাৰা ৬৬-এ সেই ক্ষেত্ৰবোৰ সামৰি লয় য'ত নিৰ্বাচন প্ৰয়োজনীয় বুলি অনুভৱ কৰা হয় আৰু ভোট গণনাৰ পিছত নিৰ্বাচন প্ৰাধিকাৰীয়ে নিৰ্বাচনৰ ফলাফল  ততালিকে ঘোষণা কৰিব লাগে।

অধিবক্তাগৰাকীয়ে লগতে কয় যে প্ৰথমতে প্ৰণয়ন কৰা আইনখনৰ ৫৪ নং ধাৰাত একাধিক প্ৰাৰ্থী নিৰ্বাচিত হ'বলগীয়া সমষ্টিৰ নিৰ্বাচনৰ বিষয়ে উল্লেখ কৰা হৈছিল। এনে নিৰ্বাচনত অৰ্থাৎ 'একাধিক সদস্যযুক্ত নিৰ্বাচন সমষ্টি' ত ভোটদানৰ পদ্ধতি সম্পৰ্কে ধাৰা ৬৩-ত উল্লেখ কৰা হৈছিল। সীমা নিৰ্ধাৰণ আইন, ১৯৫২-ৰ ধাৰা ৮ (২)-ত পোনপটীয়াকৈ উল্লেখ কৰা হৈছিল যে 'সকলো নিৰ্বাচন ক্ষেত্ৰ হয় একক  সদস্যযুক্ত নিৰ্বাচন ক্ষেত্ৰ নতুবা  দ্বিসদস্যযুক্ত নিৰ্বাচন ক্ষেত্ৰ হ'ব '। ইয়াত আৰু ব্যক্ত কৰা হৈছে যে 'প্ৰত্যেক দ্বিসদস্যযুক্ত নিৰ্বাচন ক্ষেত্ৰত এখন আসন অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত কৰা হ'ব আৰু আনখন আসন এনেদৰে সংৰক্ষিত কৰা নহ'ব'। সেই ব্যৱস্থাসমূহৰ পৰিপ্ৰেক্ষিতত সময়সীমাৰ ব্যৱস্থাটোত দুই ধৰণৰ গোচৰ বিবেচনা কৰা হৈছিল। দুজন সদস্যৰ সমষ্টি এটাত নিৰ্বাচিত প্ৰাৰ্থী ঘোষণা কৰাৰ তাৰিখ বেলেগ বেলেগ হ'ব পাৰে। এনে এটা গোচৰ এই ন্যায়ালয়ৰ সাংবিধানিক

বিচাৰপীঠৰ বিবেচনাৰ বাবে আহিছিল। এই গোচৰটো আছিল ভি. ভি. গিৰি বনাম ডি. সুৰি ডোৰা আৰু অন্যান্য [১৯৬০] ১ এছ. চি. আৰ. ৪২৫: এ. আই. আৰ. (১৯৫৯) এছ. চি. ১৩৮। এইটো অন্ধ্ৰ প্ৰদেশৰ পাৰ্বতীপুৰম লোকসভা সমষ্টিৰ সৈতে সম্পৰ্কিত যিটো দুগৰাকী সদস্যৰ সমষ্টি আছিল য'ত এখন আসন অনুসূচিত জাতিৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত আছিল আৰু আনখন আসন অসংৰক্ষিত আছিল অৰ্থাৎ সাধাৰণ শ্ৰেণীৰ বাবে আছিল। এনে নিৰ্বাচনত, যদি সংৰক্ষিত আসন (অনুসূচিত জাতি)ৰ কেৱল এজন প্ৰাৰ্থী থাকে তেন্তে নিশ্চিতভাৱে পৰিনিৰীক্ষণৰ তাৰিখ শেষ হোৱাৰ লগে লগে তেওঁক এনে সংৰক্ষিত আসনৰ বিপৰীতে নিৰ্বাচিত বুলি ঘোষণা কৰা হ'ব আৰু প্ৰত্যাহাৰৰ তাৰিখত একাধিক প্ৰাৰ্থী নাথাকিব। কিন্তু আনখন আসনৰ ক্ষেত্ৰত অৰ্থাৎ অসংৰক্ষিত/সাধাৰণ আসনখনৰ ক্ষেত্ৰত, যদি প্ৰত্যাহাৰৰ তাৰিখৰ পিছত একাধিক প্ৰাৰ্থী থাকে তেন্তে নিৰ্বাচন অনুষ্ঠিত হ 'ব আৰু ভোট গণনাৰ পিছতহে ফলাফল ঘোষণা কৰা হ'ব। এনে ক্ষেত্ৰত, আইনখনৰ ৮১ নং ধাৰাৰ দ্বিতীয় অংশটো প্ৰযোজ্য হ'ব আৰু নিৰ্বাচনী আবেদনকাৰীয়ে বৰ্ধিত সময়সীমাৰ সুবিধা দাবী কৰিব পাৰিব।

অৱশ্যে, ১৯৬১ চনৰ সংশোধনী আইনৰ দ্বাৰা আইনখনৰ ৫৪ নং ধাৰাটো বিলোপ কৰা হৈছিল। ফলস্বৰূপে, একেখন সংশোধনী আইনৰ দ্বাৰা ৬৩ নং ধাৰাও বিলোপ কৰা হৈছিল। একেদৰে, সীমা নিৰ্ধাৰণ আইন, ১৯৭২-এ প্ৰতিখন ৰাজ্যৰ লোকসভা আৰু বিধানসভাত আসন আবণ্টনৰ পুনৰ্বিন্যস্তকৰণৰ ব্যৱস্থা কৰিছিল। উক্ত আইনৰ ধাৰা ৯(১) অনুসৰি প্ৰতিখন ৰাজ্যৰ বাবে আবণ্টিত লোকসভাৰ আসন আৰু প্ৰতিখন ৰাজ্যৰ বিধানসভালৈ আবণ্টিত আসনসমূহ সীমা নিৰ্ধাৰণ আয়োগে 'একক সদস্যযুক্ত ভূখণ্ডীয় নিৰ্বাচন ক্ষেত্ৰ' অনুসৰি বিতৰণ কৰিব লাগিব আৰু সংবিধানৰ ব্যৱস্থাসমূহৰ প্ৰতি লক্ষ্য ৰাখি শেহতীয়া লোকপিয়লৰ তথ্যৰ ভিত্তিত সেইবোৰৰ সীমা নিৰ্ধাৰণ কৰিব লাগিব। অনুসূচিত

জাতি আৰু অনুসূচিত জনজাতিৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থাও এই আইনে কৰিছিল। সম্প্ৰতি বহু-সদস্যযুক্ত নিৰ্বাচন ক্ষেত্ৰৰ ব্যৱস্থা নাই।

১৯৭৫ আৰু ১৯৮০ চনত সংশোধিত জনপ্ৰতিনিধিত্ব আইন, ১৯৫০ৰ ধাৰা ৪ৰ উপধাৰা (৩) আৰু ধাৰা ৭ৰ উপধাৰা (২) সম্পৰ্কে উল্লেখ কৰাটোও উপযুক্ত হ'ব । ধাৰা ৪ৰ উপধাৰা (৩)-এ ব্যক্ত কৰিছে যে ''প্ৰতিটো সংসদীয় সমষ্টি একক সদস্যৰ সমষ্টি হ'ব"। একেদৰে ৭ নং ধাৰাৰ উপধাৰা (২) ত ঘোষণা কৰা হৈছে যে 'প্ৰতিটো বিধানসভাৰ সমষ্টি একক সদস্যৰ সমষ্টি হ'ব"।

উপৰোক্ত ব্যৱস্থাসমূহৰ পৰিপ্ৰেক্ষিতত আমাৰ বিবেচনা মতে, ৮১ নং ধাৰাৰ দ্বিতীয় অংশটো বিধানসভাৰ কোনো নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব নোৱাৰে, বৰং ই কেৱল ৰাজ্যৰ বিধান পৰিষদ বা ৰাজ্য পৰিষদৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব। সেয়েহে, উচ্চ ন্যায়ালয়ে সঠিকভাৱে ৰায়দান কৰিছিল যে সময়সীমা গণনাৰ বাবে প্ৰাসংগিক তাৰিখটো আছিল নিৰ্বাচিত প্ৰাৰ্থীৰ নিৰ্বাচনৰ তাৰিখটো আৰু এই তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত নিৰ্বাচনী আবেদন দাখিল কৰিব লাগিব।

এইবুলি আহ্বান জনোৱা হৈছিল যে আইনখনত এখন ৰাজ্যৰ বিধানমণ্ডলৰ যিকোনো সদনত আসন বা আসনসমূহ পূৰণৰ নিৰ্বাচন হিচাপে "নিৰ্বাচন" পদটোক সংজ্ঞাবদ্ধ কৰা হৈছে আৰু যেতিয়া উক্ত পদটো ধাৰা ৮১-ত ব্যৱহাৰ কৰা হয়, ইয়াৰ একে অৰ্থ থাকিব আৰু ই ৰাজ্যখনৰ সকলো সমষ্টিৰ নিৰ্বাচন অন্তৰ্ভুক্ত কৰিব।

আমি যুক্তিটো সমৰ্থন কৰিব নোৱাৰোঁ। এইটো সঁচা যে ধাৰা ২(ডি)ত "নিৰ্বাচন" পদটোক এনেদৰে সংজ্ঞাবদ্ধ কৰা হৈছে "সংসদৰ যিকোনো সদনত বা ৰাজ্যৰ বিধানমণ্ডলৰ যিকোনো সদনত আসন বা আসনসমূহ পূৰণৰ উদ্দেশ্যে কৰা নিৰ্বাচন"। কিন্তু এইটো মনত ৰাখিব লাগিব যে এই আইনখন সংসদৰ উভয় সদন আৰু ৰাজ্যিক বিধানমণ্ডলৰ নিৰ্বাচনৰ সৈতে সম্পৰ্কিত আৰু আইনখনে

"নিৰ্বাচন" পদটোৰ সংজ্ঞা দিছে। তদুপৰি ধাৰা ২ ৰ আৰম্ভণিৰ শব্দকেইটা হৈছে "যদিহে প্ৰসংগটোৱে অন্য ধৰণে দাবী নকৰে"। সেয়েহে, সংজ্ঞাৰ ধাৰাটোৰ বিশ্লেষণ, ব্যাখ্যা আৰু প্ৰয়োগ কৰাৰ সময়ত, ন্যায়ালয়ে বিধায়িনী আজ্ঞা আৰু অভিপ্ৰায় সন্দৰ্ভত বিবেচনা কৰিব লাগিব আৰু লগতে প্ৰসংগটোৱে অন্য ধৰণে দাবী কৰে নেকি সেয়া বিবেচনা কৰিব লাগিব। ইতিমধ্যে পৰ্যবেক্ষণ কৰাৰ দৰে, দুটা অংশত থকা ধাৰা ৮১-ত বিভিন্ন পৰিস্থিতিৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰথম অংশটো বিধানসভাৰ ক্ষেত্ৰত প্ৰযোজ্য আৰু দ্বিতীয় অংশটো বিধান পৰিষদৰ ক্ষেত্ৰত প্ৰযোজ্য।

পি.আৰ. ফ্ৰান্সিছ বনাম এ. ভি. আৰিয়ান [এ. আই. আৰ (১৯৬৮) কেৰালা ২৫২] গোচৰটোত কেৰালা উচ্চ ন্যায়ালয়ৰ নিম্নলিখিত পৰ্যবেক্ষণসমূহৰ ওপৰত প্ৰতিবাদীপক্ষৰ বিদ্বান অধিবক্তাগৰাকীয়ে সঠিকভাৱে নিৰ্ভৰ কৰিছিল।

> আইনখনৰ ৮১ নং ধাৰাৰ অধীনত, 'কোনো নিৰ্বাচনৰ প্ৰত্যাহ্বান জনোৱা এখন নিৰ্বাচনী আবেদন এনে নিৰ্বাচনৰ যিকোনো প্ৰাৰ্থী বা যিকোনো ভোটাৰৰ দ্বাৰা দাখিল কৰিব পাৰি' আৰু ৮১নং ধাৰা অনুসৰি দাখিল কৰা নিৰ্বাচনী আবেদনৰ বাহিৰে অন্য উপায়েৰে নিৰ্বাচন সন্দৰ্ভত প্ৰত্যাহ্বান জনোৱাত ৮০নং ধাৰাই নিষেধাজ্ঞা আৰোপ কৰিছে।এই প্ৰসংগত "নিৰ্বাচন"ৰ অৰ্থ সাধাৰণ নিৰ্বাচন বা ৰাজ্যখনত অনুষ্ঠিত সামগ্ৰিক নিৰ্বাচন নহয়, বৰঞ্চ এটা সমষ্টিত অনুষ্ঠিত হোৱা এক নিৰ্বাচনহে। সেয়েহে ৰাজ্যখনত অনুষ্ঠিত হোৱা সামগ্ৰিক নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰত্যাহ্বান জনোৱাটো আইনখনৰ ৮০ নং ধাৰাৰ নিষেধাজ্ঞাৰ ভিতৰত আছে। (গুৰুত্ব আৰোপণ)

এখন নিৰ্বাচনী আবেদন দাখিল কৰাৰ সময়সীমা প্ৰত্যাহ্বান জনোৱা নিৰ্বাচিত প্ৰাৰ্থীগৰাকীক নিৰ্বাচিত হিচাপে ঘোষণা কৰা তাৰিখৰ সন্দৰ্ভত বিবেচনা কৰা উচিত নহয় বৰং সাধাৰণ নিৰ্বাচনত অন্তিমগৰাকী প্ৰাৰ্থী নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা তাৰিখৰ সন্দৰ্ভতহে বিবেচনা কৰা উচিত বুলি কৰা উপস্থাপনৰ বাহালে আইনৰ ব্যৱস্থাটোক কেৱল জটিল আৰু প্ৰতিকূলেই নকৰিব (বিশেষকৈ ১৯৫৬ আৰু ১৯৬১  চনত প্ৰৱৰ্তন কৰা সংশোধনী আঁচনিৰ বিৰুদ্ধে) বৰং সময়সীমাৰ প্ৰাৰম্ভণ বিন্দুটো অনিশ্চিত, অনিৰ্দিষ্ট আৰু তাৰতম্যযুক্ত কৰিব।এনে ধাৰণাৰ বাবে এখন ৰাজ্যৰ বিধানসভাৰ সকলো নিৰ্বাচিত প্ৰাৰ্থীৰ সম্পূৰ্ণ বিৱৰণৰ প্ৰয়োজন হ'ব। তদুপৰি,  প্ৰত্যাহ্বানটো লোকসভাৰ  সদস্য নিৰ্বাচনৰ ক্ষেত্ৰত হ'লে সমগ্ৰ দেশৰ বিভিন্ন সমষ্টিৰ সম্পূৰ্ণ বিৱৰণ নিৰ্বাচন ন্যায়াধিকৰণৰ আগত উপস্থাপন কৰিব লাগিব। আবেদনকাৰীয়ে দাখিল কৰা নিৰ্বাচনী আবেদনখন আইনৰ ধাৰা ৮১-ত উল্লেখ কৰা নিৰ্দিষ্ট সময়ৰ ভিতৰত আছে নে নাই সেয়া নিশ্চিত কৰাৰ লক্ষ্যৰে ন্যায়াধিকৰণে এনে বিৱৰণৰ তদন্ত কৰিবলৈ বাধ্য।আকৌ, সময়সীমা  বিষয়ক বিবাদ বা প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰত, নিৰ্বাচন ন্যায়াধিকৰণে সকলো সমষ্টিৰ তথ্য বিচাৰি পৰীক্ষা কৰিব লাগিব।বাধ্য নকৰালৈকে, এখন ন্যায়ালয়ে এনে এটা ব্যৱস্থাক এনেদৰে ব্যাখ্যা নকৰে যি বিধায়িনী অভিপ্ৰায় ব্যৰ্থ কৰিব আৰু ব্যৱস্থাটোক সম্পাদন -অসাধ্য আৰু অব্যৱহাৰিক কৰি তুলিব।

শেষত, প্ৰতিবাদীপক্ষই পৰামৰ্শ দিবলৈ বিচৰা ব্যাখ্যাটো অন্য দিশৰ বিবেচনাৰে যুক্তিসংগত, ন্যায়সংগত আৰু ন্যায়পূৰ্ণ কাৰণ ইয়াৰ 'বিবাদ-হেতু 'ৰ সৈতে যোগসূত্ৰ আছে। যেতিয়া এজন পৰাজিত প্ৰাৰ্থী বা ভোটদাতাৰ এজন নিৰ্দিষ্ট প্ৰাৰ্থীক নিৰ্বাচনত সফল বুলি ঘোষণা কৰা কাৰ্যৰ বিৰুদ্ধে অভিযোগ থাকে, তেতিয়া এনে ঘোষণা কৰাৰ লগে লগে তেওঁৰ বিবাদ-হেতু  উদ্ভৱ হয়। সেয়েহে, তেওঁ সেই কাৰ্যক প্ৰত্যাহ্বান জনাব পাৰে।  অন্যান্য সমষ্টিৰ ফলাফল

ঘোষণাৰ সৈতে বা সেইবিলাক সমষ্টিৰ নিৰ্বাচিত প্ৰাৰ্থীৰ ফলাফল ঘোষণাৰ সৈতে তেওঁৰ বিবাদ-হেতু সংযোজিত কৰিবলৈ অনুমতি দিব পৰা নাযায় ।

[শ্ৰী চন্দ্ৰকান্ত শুক্লা বনাম মহাৰাজা মাৰ্তাণ্ড সিং, [১৯৭৩] ৩ এছচিচি ১৯৪: এ আই আৰ (১৯৭৩) এছ চি ৫৮৪]

এইদৰে, আমি বিষয়টো সৰ্ন্দভত যিকোনো দৃষ্টিভংগী গ্ৰহণ কৰিও এই ন্যায়ালয়ৰ হস্তক্ষেপৰ প্ৰয়োজন হোৱাকৈ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশটোত কোনো দুৰ্বলতা বিচাৰি নাপালোঁ ।

উপৰোক্ত কাৰণবোৰৰ ভিত্তিত আটাইকেইখন আপিল খাৰিজৰ যোগ্য আৰু ইয়াৰ দ্বাৰা ব্যয় আৰোপেৰে এইকেইখন খাৰিজ কৰা হ'ল।

আপিলকেইখন খাৰিজ হোৱাৰ পৰিপ্ৰেক্ষিতত, আমি দেৱানী আপিল নং ৮২৫৩/২০০৪-ত প্ৰতিস্থাপন বিচৰা আবেদনৰ ওপৰত কোনো মতামত প্ৰকাশ নকৰোঁ।

আপিলকেইখন খাৰিজ কৰা হ'ল।

অনুবাদকঃ শ্ৰী প্ৰবীণ হাজৰিকা, অধিবক্তা

পৰীক্ষণঃ দিতিমণি গগৈ, স্পেচিয়েল অফিচাৰ

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বুলি বিবেচিত হ'ব।"*